জাননী

(০৬/১১/২০২৬)

ইয়াৰ দ্বাৰা খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, অহা ০৭/১১/২০২৬ তাৰিখে হ'বলগীয়া ২০২৬-২৭ বৰ্ষৰ **'ছাত্ৰ-একতা সভাৰ নিৰ্বাচন'**ৰ দিনা উচ্চতৰ মাধ্যমিক আৰু স্নাতকৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ভোট দানৰ দিনা মহাবিদ্যালয়ৰ ঐক্য-পোছাক পৰিধান **(College Uniform)** আৰু ফটোযুক্ত পৰিচয় পত্ৰ **(College Identity Card)** লগত লৈ অহাটো একান্তই বাধ্যতামূলক। যিসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ পৰিচয় পত্ৰ পোৱা নাই, সেইসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ চলিত বৰ্ষৰ নামভৰ্ত্তিৰ ৰচিদৰ লগত যিকোনো ফটোযুক্ত চৰকাৰী পৰিচয় পত্ৰ প্ৰদৰ্শন কৰিলে ভোটদানৰ অনুমতি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

ভোটদান চলি থকা সময়ত মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত প্ৰচাৰ কাৰ্য বা ভোটাৰক প্ৰলোভিত কৰা কাৰ্যত লিপ্ত হ'ব নোৱাৰিব।

ভোটদান বা গণনা কক্ষৰ ভিতৰত ভোটাৰ, প্ৰাৰ্থী বা তেওঁ নিয়োগ কৰা এজেণ্ট কোনোও মোবাইল ফোন লগত লৈ প্ৰৱেশ কৰিব নোৱাৰিব।

ৰিটাণিং বিষয়া
ছাত্ৰ-একতা সভা নিৰ্বাচন, ২০২৬-২৭
খাৰুপেটীয়া মহাবিদ্যালয়